# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-05-2026 **Time :** 0755 Hrs.

জ্যেষ্ঠ বিজেপি নেতা ডং হিমন্ত বিশ্ব শৰ্মাই আজি অসমৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ প্ৰধানমন্ত্ৰী শ্ৰীমোদী যোৱা নিশা গুৱাহাটীত উপস্থিত হয়। বৰঝাৰ বিমান বন্দৰৰ পৰা প্ৰধানমন্ত্ৰীগৰাকী পোনে পোনে কইনাধৰালৈ যায় আৰু ৰাজ্যিক অতিথিশালাত নিশা কটায়।

মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা ২২ খন ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ ভালেসংখ্যক জ্যেষ্ঠ নেতা উপস্থিত থাকিব। শপত গ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝি, উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামি, বিহাৰৰ মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰী আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেইফিউ ৰিঅ' কালিয়ে গুৱাহাটীত উপস্থিত হয়। আজিৰ অনুষ্ঠানত বিভিন্ন দেশৰ বিশিষ্ট উদ্যোগপতি, ৰাষ্ট্ৰদূত, সত্ৰাধিকাৰ, দলৰ কাৰ্যকৰ্তা আৰু বুথ সমিতিৰ সভাপতিসকলো উপস্থিত থাকিব।

বিজেপি বিধায়িনী দলৰ নেতা নিৰ্বাচিত হোৱাৰ পাছত ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চাৰিগৰাকী সতীৰ্থ বিধায়কৰ সৈতে খানাপাৰাত শপত গ্ৰহণ কৰিব। ড০ শৰ্মাই কালি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে বিজেপিৰ ৰামেশ্বৰ তেলী আৰু অজন্তা নেওগে আজি মন্ত্ৰী হিচাপে শপত ল'ব। আনহাতে মিত্ৰদল অগপৰ পৰা দলটোৰ সভাপতি অতুল বৰা আৰু বিপিএফৰ পৰা চৰণ বড়োৱে আজি মন্ত্ৰী হিচাপে শপত ল'ব। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বিধানসভাৰ অধ্যক্ষ হিচাপে দায়িত্ব ল'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰিছে। ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত স্থান লাভ কৰাৰ পাছত বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন সাংসদ ৰামেশ্বৰ তেলীয়ে সংবাদ মাধ্যমৰ আগত এইদৰে কয়-

*(বাইট)*

০০০০০০০

এন ডি এ চৰকাৰে একেৰাহে অসমত আজি তৃতীয়বাৰ বাবে চৰকাৰ গঠন কৰিব। ইয়াৰ বাবে খানাপাৰাত প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। শপতগ্ৰহণ অনুষ্ঠানৰ বাবে কামৰূপ মহানগৰ জিলাত যান-বাহন নিয়ন্ত্ৰণৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশ অনুসৰি আজি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ২ বজালৈ কইনাধৰাৰ পৰা বিমান বন্দৰলৈ গধূৰ আৰু ধীৰ গতিৰ বাহনৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ থাকিব। কইনাধৰাৰ পৰা জালুকবাৰীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয় পইণ্টলৈকে কেৱল পথৰ এটা ফালেৰেহে যান-বাহন চলাচলৰ অনুমতি দিয়া হ'ব। এই পথছোৱাৰে ট্ৰাক, ডাম্পাৰ আদি গধূৰ বাহন চলাচল কৰিব নোৱাৰিব। জনসাধাৰণক অসুবিধা এৰাই চলাৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথৰ পৰিৱৰ্তে জি এছ ৰোড ব্যৱহাৰ কৰিবলৈ আৰু বিমান বন্দৰলৈ যোৱা যাত্ৰীসকলক কমেও দুঘণ্টা আগতে যাবলৈ অনুৰোধ জনোৱা হৈছে। নিৰ্দেশনা অনুসৰি ২৭ নম্বৰ আৰু ১৭ নম্বৰ ৰাষ্টীয় ঘাইপথৰ চাৰ্ভিচ লেনৰ লগতে বতাহঘূলি, পাঞ্জাবাৰী, ছয়মাইল, খানাপাৰা আদি অঞ্চলৰ পথৰ কাষত যান-বাহন ৰখাই থ'ব নোৱাৰিব। শপতগ্ৰহণ অনুষ্ঠানলৈ অহা বাহনসমূহৰ বাবে সৰুসজাই, বশিষ্ঠ পথ, ছহিদ ন্যাস পথত পাৰ্কিঙৰ ব্যৱস্থা কৰা হ'ব বুলি যান-বাহন আৰক্ষী উপ-আয়ুক্ত জয়ন্ত সাৰথি বৰাই প্ৰকাশ কৰিছে।

০০০০০০০

জি আই টেগ লাভ কৰা তেজপুৰৰ বিখ্যাত লিচুৰ বিষয়ে প্ৰচাৰৰ উদ্দেশ্যৰে অহা ৬ আৰু ৭ জুনত দুদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় তেজপুৰ লিচু মহোৎসৱৰ আয়োজন কৰা হৈছে। স্থানীয় একাংশ যুৱ উদ্যোগী আৰু লিচু খেতিয়কৰ তৎপৰতা তথা কৃষি বিষয়া আৰু পৰ্যটন বিভাগৰ সহযোগত বিগত বৰ্ষৰ প্ৰথম লিচু মহোৎসৱৰ সফলতাৰ পাছত ইয়াৰ দ্বিতীয় বাৰ্ষিক মহোৎসৱ তেজপুৰ জিলা পুথিভঁৰাল প্ৰাংগণত আয়োজন কৰিবলৈ লোৱা হৈছে। এপেডাই সহযোগী হিচাপে অংশগ্ৰহণ কৰিবলগীয়া এই বৰ্ষৰ লিচু উৎসৱত শিক্ষাৰ্থীসকলৰ অনুষ্ঠানৰ লগতে সাংস্কৃতিক অনুষ্ঠান আয়োজনৰো সিদ্ধান্ত লোৱা হৈছে। লগতে লিচুৰ বাগিচা ভ্ৰমণ, ইয়াৰ প্ৰক্ৰিয়াজাত সামগ্ৰীৰ প্ৰদৰ্শনী তথা বিক্ৰী, বাগিচাৰ পৰাই কৃষকৰ পৰা পোনপটীয়াকৈ সতেজ লিচু ক্ৰয় আদিৰ সুবিধাও এই দুদিনীয়া কাৰ্যসূচীত সন্নিবিষ্ট থাকিব। এই মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনোৱা হ'ব বুলি আয়োজকসকলে জানিবলৈ দিছে।

০০০০০০০

**সমাপ্ত**